**Series : HGFE1**

**SET ~ 4**

**Q.P. Code 15**

**Roll No.**

Candidates must write the Q.P. Code on the title page of the answer-book.

**NOTE :**

(I) Please check that this question paper contains **15** printed pages.

(II) Q.P. Code given on the right hand side of the question paper should be written on the title page of the answer-book by the candidate.

(III) Please check that this question paper contains **20** questions.

(IV) **Please write down the Serial Number of the question in the answer-book at the given place before attempting it.**

(V) 15 minute time has been allotted to read this question paper. The question paper will be distributed at 10.15 a.m. From 10.15 a.m. to 10.30 a.m., the candidates will read the question paper only and will not write any answer on the answer-book during this period.

#

# অসমীয়া

# ASSAMESE

*সময় : **3** ঘণ্টা* | *সৰ্বমুঠ নম্বৰ : **80***

*Time allowed : **3** hours* | *Maximum Marks : **80***

***General Instructions :***

*Question paper is divided into **4** sections.*

*It has total **20** questions.*

***Section A** : 1 Question no. 1 to 1*

***Section B** : 5 Questions no. 2 to 6*

***Section C** : 8 Questions no. 7 to 14*

***Section D** : 6 Questions no. 15 to 20*

*Attempt questions as per specific instructions.*

*Write question no. in answer book before attempting it.*

***সাধাৰণ নিৰ্দেশনা :***

*প্ৰশ্নকাকতৰ প্ৰশ্নসমূহ চাৰি **(৪)** ভাগত বিভক্ত ।*

*সৰ্ব্বমুঠ প্ৰশ্নৰ সংখ্যা : **২০***

***শাখা 'ক'** : প্ৰশ্নৰ সংখ্যা ১, প্ৰশ্ন নং ১-১*

***শাখা 'খ'** : প্ৰশ্নৰ সংখ্যা ৫, প্ৰশ্ন নং ২-৬*

***শাখা 'গ'** : প্ৰশ্নৰ সংখ্যা ৮, প্ৰশ্ন নং ৭-১৪*

***শাখা 'ঘ'** : প্ৰশ্নৰ সংখ্যা ৬, প্ৰশ্ন নং ১৫-২০*

*পৰীক্ষাৰ্থীসকলে নিৰ্দ্ধাৰিত নিৰ্দেশ অনুসৰি প্ৰশ্নসমূহৰ উত্তৰ কৰিব ।*

*উত্তৰ বহীত প্ৰশ্নসমূহৰ উত্তৰ কৰাৰ পুৰ্বে প্ৰশ্ন নং লিখাটো আৱশ্যক ।*

**SECTION A**

**(বোধ পৰীক্ষণ)** **(15 Marks)**

**1.** তলত দিয়া অনুচ্ছেদটো পঢ়ি নিম্নলিখিত প্ৰশ্নসমূহৰ উত্তৰ লিখাঁ –

আমাৰ কথাতে কয় বোলে ''দেহা থাকিলেহে বেহা'' । সৰু-ডাঙৰ সকলো কাম কৰাৰ বাবে সুস্থ শৰীৰৰ আৱশ্যক । শৰীৰৰ সুস্থ আৰু নীৰোগ অৱস্থাই স্বাস্থ্য । নীৰোগী মানুহ ক্ষীণ হ'লেও স্বাস্থ্যৱান । স্বাস্থ্যৱান লোক দৰিদ্ৰ হ'লেও সুখী, কাৰণ সুখ-শান্তি ধনেৰে কিনিব নোৱাৰি । জীৱনত কৃতকাৰ্যতা লাভ কৰিবলৈ হ'লে আমি নানা ধৰণৰ কাম কৰিব লাগে । সেইবোৰ সুকলমে কৰিবলৈ সুস্বাস্থ্যৰ প্ৰয়োজন । শৰীৰ আৰু মনৰ ঘনিষ্ঠ সম্পৰ্ক আছে । শৰীৰ ভালে থাকিলেহে মনো ভালে থাকিব । স্বাস্থ্যৱান লোকৰ মনত শান্তি আৰু দেহত সুখ থাকে । স্বাস্থ্যহীন লোক বুদ্ধিমান হ'লেও তেঁও সেই বুদ্ধি ভালদৰে কামত খটাব নোৱাৰে । গতিকে সকলোৰে স্বাস্থ্য ৰক্ষাৰ বাবে যত্ন কৰা উচিত । স্বাস্থ্য ভালে থকাটোৱেই স্ৰষ্টাৰ বিধান । ইয়াৰ বাবে কিছুমান উপায় অৱলম্বন কৰা উচিত । ডেকা কালছোৱাত মানুহৰ শৰীৰত প্ৰভূত শক্তি আৰু মনত অদম্য উৎসাহ থাকে । সেইবাবে এই বয়সত কিছুমানে অত্যধিক শ্ৰম কৰে আৰু নানা

ধৰণেৰে দেহটোক কষ্ট দিয়ে । তাৰ ফলত তেঁওলোকৰ স্বাস্থ্য ভঙ্গ হয় । স্বাস্থ্য অটুট ৰাখিবলৈ হ'লে বাস কৰা ঠাইডোখৰ জেকা নলগা আৰু বা-বতাহ চলাচল কৰিব পৰা হ'ব লাগে । দ' জেকা ঠাইখনো বাসোপযোগী নহয় । থকা ঠাইডোখৰ যাতে পানী জমা হৈ থাকি মাখি-ম'হ আদি অনিষ্টকাৰী কীট – পতঙ্গ, বেমাৰৰ বীজাণু আদি জন্মিব নোৱাৰে তাৰ বাবে যত্ন কৰিব লাগে । নলা-নৰ্দমাৰ সহায়ত পানী ওলাই যোৱাৰ ব্যৱস্থা কৰিব লাগে । থকা ঘৰটো ওখ ঠাইত হোৱাৰ লগতে বায়ু চলাচলৰ সু-ব্যৱস্থা থাকিব লাগিব । বতাহত পোৱা অম্লজান গেছহে স্বাস্থ্যৰ বাবে প্ৰয়োজন । স্বাস্থ্য ৰক্ষাৰ বাবে বিশুদ্ধ পানীৰ প্ৰয়োজন । দৈনন্দিন জীৱনত খোৱা পানীৰ লগতে গা ধোৱা, কাপোৰ ধোৱা, ৰন্ধা-বঢ়া কৰা আদি সকলো কামতে ব্যৱহাৰ কৰা পানী বিশুদ্ধ হ'ব লাগে । খোৱাপানীৰ লগতে পুষ্টিকৰ খাদ্যও সুস্থ শৰীৰৰ বাবে একান্ত প্ৰয়োজন । সদায় পৰিমিত ভোজন কৰিব লাগে । সকলো মানুহৰ খাদ্যৰ পৰিমাণ একে নহয় । খাদ্য বেছিকৈ খালেই নহ'ব, তাক জীণ নিয়াব পাৰিলেহে সি আমাৰ উপকাৰ কৰিব । অতি ভোজন স্বাস্থ্যৰ বাবে ক্ষতিকাৰক । অৱশ্যে মানসিক শ্ৰম কৰা লোকতকৈ শাৰীৰিক শ্ৰম কৰা মানুহে বেছি আহাৰ খাব লাগে । একেলগে বেছিকৈ নাখাই দিনটোত দুই/তিনিবাৰ পৰিমিত ভোজন কৰা উচিত । আহাৰ সদায় নিয়মিত সময়ত খাব লাগে আৰু ভালদৰে চোবাই খাব লাগে ।

শ্ৰম আৰু বিশ্ৰাম দুয়োটাই স্বাস্থ্য ৰক্ষাৰ উত্তম উপায় । শ্ৰম মানসিক হওঁক বা শাৰীৰিকেই হওঁক ই সীমিত হ'ব লাগে; অত্যধিক শ্ৰম অনিষ্টকৰ । শাৰীৰিক শ্ৰম কৰা লোকে স্বাস্থ্য ৰক্ষাৰ বাবে ব্যায়াম কৰাৰ প্ৰয়োজন নাই । কিন্তু মানসিক পৰিশ্ৰম কৰা লোকে নিতৌ নিয়মিত ভাৱে ব্যায়াম কৰাৰ প্ৰয়োজন । আজিকালিৰ অভাৱ-অনাটনলৈ চাই ব্যায়াম কৰাতকৈ মানসিক শ্ৰম কৰা লোকেও উৎপাদনমূলক শাৰীৰিক শ্ৰম কৰাহে যুগুত । স্বাস্থ্য ভালে ৰাখিবলৈ পৰিশ্ৰমৰ লগতে বিশ্ৰামৰো প্ৰয়োজন । ৰাতি বিশ্ৰামৰ সময় । টোপনিত মন আৰু শৰীৰে জিৰণি পায় । ইয়াৰ ফলত মন আৰু শৰীৰে নতুন শক্তি লাভ কৰে ।

অৰ্থাৎ সোনকালে শোৱা আৰু সোনকালে উঠা কাৰ্যই স্বাস্থ্য, সম্পদ আৰু জ্ঞান প্ৰদান কৰে । সেইবাবে সেই নিয়মো পালন কৰা উচিত । জ্ঞানী লোকসকলে কয় সকলোৰে অতিমাত্ৰা বেয়া । সেইবাবে স্বাস্থ্যৰক্ষা কৰিব খোজা মানুহে আহাৰ, নিদ্ৰা, শ্ৰম আদি সকলো বিষয়তে নিয়মীয়া হ'ব লাগে । স্বাস্থ্যৰক্ষা কৰিবলৈ হ'লে মনৰ আনন্দৰো প্ৰয়োজন । খেল-ধেমালিয়ে মনত আনন্দ দিয়ে । তদুপৰি মানুহ সংযমী আৰু বিবেচক হ'ব লাগে । ক্ৰোধ, লোভাদি ৰিপুৰ বশ হৈ কাম কৰিলে মানুহ ৰুগীয়া হয় । সংসাৰত কৃতকাৰ্যতাৰে জীৱন-যাপন কৰিবলৈ হ'লে সৰুকালৰে পৰা স্বাস্থ্য সচেতন হ'ব লাগিব । এইক্ষেত্ৰত মাক-দেউতাকে শিশুৰ যত্ন ল'ব লাগে আৰু স্বাস্থ্য ৰক্ষাৰ নীতি-নিয়মসমূহ শিশুক সৰুৰে পৰাই শিকাব লাগে ।

**প্ৰশ্ন :**

(i) স্বাস্থ্যৱান লোক __________ হ'লেও সুখী । *1*

(A) ধনী

(B) কৃপণ

(C) দৰিদ্ৰ

(D) ভয়াতুৰ

(ii) __________ কালছোৱাত মানুহৰ শৰীৰত প্ৰভূত শক্তি থাকে । *1*

(A) বৃদ্ধ

(B) ডেকা

(C) শৈশৱ

(D) কৈশোৰ

(iii) বতাহত পোৱা __________ গেছ হে স্বাস্থ্যৰ বাবে প্ৰয়োজন। *1*

(A) এঙাৰ গেছ

(B) কাৰ্বন-ডাই-অক্সাইড গেছ

(C) মিথেন গেছ

(D) অম্লজান গেছ

(iv) ____________ মন আৰু শৰীৰে জিৰণি পায়। *1*

(A) অধ্যয়নৰ সময়ত

(B) ভ্ৰমণৰ সময়ত

(C) টোপনিৰ সময়ত

(D) খেল-ধেমালি কৰাৰ সময়ত

(v) স্বাস্থ্য ৰক্ষাৰ বাবে _________ পানীৰ প্ৰয়োজন। *1*

(A) বিশুদ্ধ

(B) নদীৰ

(C) সাগৰৰ

(D) পুখুৰীৰ

(vi) খেল-ধেমালিয়ে মনত __________ দিয়ে। *1*

(A) দুখ

(B) কষ্ট

(C) আনন্দ

(D) বিষাদ

(vii) 'উৎপাদন' – শব্দটোৰ শুদ্ধ উপসৰ্গ কোনটো ? *1*

(A) উৎ

(B) উত্

(C) উপ

(D) উ

(viii) বিপৰীতাৰ্থক শব্দ লিখা – পৰিমিত *1*

(A) পৰিমিতহীন

(B) নিপৰিমিত

(C) অপৰিমিত

(D) সপৰিমিত

(ix) 'শিশু' – কি লিংগৰ শব্দ ? *1*

(A) ক্লীৱ লিংগ

(B) স্ত্ৰী লিংগ

(C) উভয় লিংগ

(D) পুংলিংগ

(x) স্বাস্থ্য অটুট ৰাখিবলৈ বাস কৰা ঠাইডোখৰ কেনে হ'ব লাগে ? *2*

(xi) মানুহৰ স্বাস্থ্য ভংগ কিয় হয় ? *2*

(xii) শৰীৰ আৰু মনৰ মাজত ঘনিষ্ঠ সম্পৰ্ক থকা বুলি কিয় কোৱা হৈছে ? *2*

## SECTION B

**(লিখন কলা)** **(25 Marks)**

2. (a) তলত দিয়া সংকেত বাক্যৰ সহায়ত গল্পটো সম্পূৰ্ণকৈ লিখাঁ । (গল্পটোৰ শিৰোনাম আৰু নীতিশিক্ষা লিখিব লাগিব ।) *5*

এখন হাবিৰ এডাল গছত এহাল ভাটৌৰে পোৱালি দুটাৰে সৈতে বাস কৰিছিল ________ এদিন এজন চিকাৰীয়ে পোৱালি দুটা লৈ গ'ল ________ এটা পোৱালি চিকাৰীৰ হাতৰ পৰা উৰি গৈ আশ্ৰম এখন পালে ________ এবাৰ এজন ৰজাই চিকাৰীজনৰ ঘৰৰ কাষেৰে যাওঁতে ভাটৌ এটাই ''ধৰ ধৰ, মাৰ মাৰ'' বুলি চিঞৰিলে ________ কিছু দূৰৰ আশ্ৰমত থকা ভাটৌটোৱে ''আহক, আসন গ্ৰহণ কৰক'' বুলি মাতিলে ________ ৰজাই কথাখিনি বুজি পালে ________ ।

**নাইবা (OR)**

(b) তলত দিয়া যিকোনো এখন ৰচনা লিখাঁ —

(i) জীৱনৰ মূল্যবোধ

(ii) অধ্যয়নশীলতা

3. 'ক' বিদ্যালয়ত অনুষ্ঠিত হৈ যোৱা ''বাৰ্ষিক দিৱস''ৰ দিনটোৰ বিষয়ে জনাই বাতৰিকাকতত প্ৰকাশৰ বাবে এখন প্ৰতিবেদন যুগুত কৰা । (বিদ্যালয়ৰ নাম সাংকেতিক আখৰত লিখিবাঁ ।) *5*

4. তলত দিয়া যিকোনো এটা ফকৰা-যোজনা বুজাই লিখাঁ — *5*

(i) কিনা হাঁহৰ ঠোঁটলৈকে মঙহ

(ii) অভ্যাসৰ নৰ কৰ্ণপথে কৰে শৰ

5. (a) তোমাৰ অঞ্চলত বাট-পথৰ সমস্যাৰ বিষয়ে জনাই, পুনৰ মেৰামতিৰ বাবে গড়কাপ্তানি বিভাগৰ মুৰব্বীলৈ এখন আবেদন পত্ৰ যুগুত কৰাঁ। (তোমাৰ নাম আৰু ঠিকনা সাংকেতিক আখৰত লিখিবাঁ।) *5*

**নাইবা (OR)**

(b) তুমি ভ্ৰমণ কৰা ঠাই এখনৰ বিষয়ে বৰ্ণনা কৰি বন্ধু/বান্ধৱীলৈ এখন চিঠি লিখাঁ। (চিঠিত নাম, ঠিকনা সাংকেতিক আখৰত লিখিবাঁ।)

6. তলত দিয়া খণ্ডবাক্যকেইটাৰে বাক্য ৰচনা কৰাঁ — (যিকোনো ৫টা) *5×1=5*

(i) ঘৰ জোঁৱাই

(ii) মুখলৈ চা

(iii) গা পাতি ল

(iv) দাঁত লগা

(v) ঘৰ ভাঙ

(vi) চকু মুদ

## SECTION C

**(ব্যাকৰণ)** **(20 Marks)**

7. তলৰ শব্দকেইটাৰ শুদ্ধ সন্ধি বাছি উলিয়াই লিখাঁ — *4×1=4*

(i) নিশ্চয় =

(A) নিশ+চয়

(B) নিঃ+চয়

(C) নি+চয়

(D) নিৰ্+চয়

(ii) তপোবন =

(A) তপো+বন

(B) তপ+বন

(C) তপঃ+বন

(D) তপ্+বন

(iii) ধনুৰে =

(A) ধনু+এৰে

(B) ধনু+অৰে

(C) ধনু+ৰে

(D) ধন্+উৰে

(iv) দিয়ক =

(A) দি+য়ক

(B) দি+ইয়ক

(C) দ+ইয়ক

(D) দি+অক

**8.** শুদ্ধ উত্তৰ বাছি উলিয়াই লিখাঁ — *2×1=2*

(i) ''সংকলন'' শব্দটোত কি উপসৰ্গ যোগ হৈছে ?

(A) সং

(B) সম

(C) সন

(D) সু

(ii) 'অভ্যুদয়' শব্দটোত কি উপসৰ্গ যোগ হৈছে ?

(A) অভ্যু

(B) অভ

(C) অভি

(D) অ

**9.** শুদ্ধ উত্তৰটো বাছি উলিয়াই লিখাঁ — *2×1=2*

(i) 'হ'বলা' অনুসৰ্গটো কি অৰ্থত ব্যৱহাৰ হয় ।

(A) দৃঢ়তা

(B) আদেশ

(C) অনুৰোধ

(D) অনিশ্চয়তা

(ii) তলত আঁচ টনা শব্দটোত কি অনুসৰ্গ যোগ হৈছে ?

আমি তেওঁক <u>জানোঁৰেই</u> ।

(A) ই

(B) ওৰেই

(C) ৰেই

(D) এই

**10.** শুদ্ধ সমাৰ্থক শব্দ লিখাঁ — *2×1=2*

(i) অগ্নি =

(A) পাৱক

(B) নিলয়

(C) পৱন

(D) ৰজনী

(ii) পদুম =

(A) লোচন

(B) অৰবিন্দ

(C) নিশা

(D) গজ

**11.** বিপৰীতাৰ্থক শব্দ বাছি লিখাঁ — *2×1=2*

(i) আগমন =

(A) গমন

(B) প্ৰত্যাগমন

(C) অনুক্ত

(D) অধমৰ্ণ

(ii) নিৰ্ভীক =

(A) অস্থিৰ

(B) উদ্ধত

(C) অৱনতি

(D) ভীৰু

**12.** শুদ্ধ উত্তৰটো বাছি উলিয়াই লিখাঁ — *4×1=4*

(i) ব্যায়াম কৰিলে স্বাস্থ্য ভালে থাকে ।

(A) মিশ্ৰ বাক্য

(B) সৰল বাক্য

(C) বৰ্ণনাত্মক বাক্য

(D) যৌগিক বাক্য

(ii) মানুহজন ধনী, কিন্তু দাম্ভিক নহয় ।

(A) মিশ্ৰ বাক্য

(B) প্ৰশ্নসূচক বাক্য

(C) যৌগিক বাক্য

(D) সৰল বাক্য

(iii) পানী যেতিয়া গোট মাৰে তেতিয়া বৰফ হয় ।

(A) যৌগিক বাক্য

(B) ভাববোধক বাক্য

(C) সৰল বাক্য

(D) জটিল বাক্য

(iv) যাৰ বুদ্ধি থাকে, সি সহজে বিপদত নপৰে ।

(A) মিশ্ৰ বাক্য

(B) যৌগিক বাক্য

(C) আজ্ঞাসূচক বাক্য

(D) সৰল বাক্য

13. তলত দিয়া ক্ৰিয়া ৰূপ দুটাৰ ধাতু নিৰ্ণয় কৰাঁ — *2×1=2*

(i) পঢ়িছিল

(ii) কান্দিছিল

14. উত্তৰ লিখাঁ — *2×1=2*

(i) ভৱিষ্যত কালৰ এটা উদাহৰণ বাক্যত লিখাঁ।

(ii) নিত্য বৰ্তমান কাক বোলে ?

## SECTION D

**(গদ্য ভাগ)** **(20 Marks)**

15. তলত দিয়া যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখাঁ — *4*

(i) ইন্‌ফচিচ কোম্পানীৰ প্ৰতিষ্ঠাপক কোন ? তেওঁ ভাৰতবৰ্ষ তথা বিশ্বৰ এজন সফল উদ্যোগী হোৱাৰ আঁৰৰ কাহিনীটো বৰ্ণনা কৰাঁ।

(ii) কাজিৰঙালৈ যাত্ৰা কৰি কি কি বিশেষ শিক্ষা লাভ কৰিলে বুলি শিক্ষাৰ্থীসকলে শিক্ষক-শিক্ষয়িত্ৰীসকলক অৱগত কৰিছিল ?

(iii) তাৎপৰ্য ব্যাখ্যা কৰা – এয়া আছিল দিয়া লোৱা আৰু এৰা-ধৰাৰ প্ৰক্ৰিয়া।

16. তলত দিয়া যিকোনো এটা প্ৰশ্নৰ চমু উত্তৰ লিখাঁ — *2*

(i) বন্যজন্তুৱে মানুহক আক্ৰমণ কৰাৰ কাৰণ কি ?

(ii) অসমৰ পুৰণি সাহিত্যৰ সমলবোৰ কি কি ?

(iii) মুদ্ৰা ঋণ আঁচনিৰ বিষয়ে চমুকৈ লিখাঁ।

**17.** উত্তৰ লিখাঁ — *4×1=4*

(i) ''অৰণ্যযাত্ৰা'' পাঠটিত বিজ্ঞানৰ শিক্ষয়িত্ৰীগৰাকীৰ নাম কি আছিল ?

(ii) ইয়াণ্ডাবু সন্ধি কাৰ কাৰ মাজত হৈছিল ?

(iii) আহোমসকলে অসমত দীৰ্ঘদিন থকাৰ পিছত কি ধৰ্ম গ্ৰহণ কৰিছিল ?

(iv) এজন উদ্যোগী আৰু কৰ্মহীন নিবনুৱাৰ মাজত থকা ক্ষুদ্ৰ ব্যৱধান কি ?

**(পদ্য ভাগ)**

**18.** তলত দিয়া যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখাঁ — *4*

(i) কোনবোৰ গীতক বৰগীত আখ্যা দিয়া হৈছে ? বৰগীতৰ তিনিটা লক্ষণ উল্লেখ কৰা ।

(ii) ব্যাখ্যা কৰাঁ –

উঠাহে ঋত্বিক ধ্যানী অমৃতৰ পুত্ৰ,

উঠা যত মুক্তি পথযাত্ৰী ।

(iii) 'জিকিৰ'ৰ বিষয়ে আতিগুৰি মাৰি লিখাঁ ।

**19.** তলত দিয়া যিকোনো এটা প্ৰশ্নৰ চমু উত্তৰ লিখাঁ — *2*

(i) জিকিৰসমূহত প্ৰকাৰন্তৰে কি ক'বলৈ বিচৰা হৈছে ?

(ii) শ্ৰী শ্ৰী মাধৱদেৱ বিৰচিত বৰগীতসমূহত কি বিশেষত্ব দেখা যায় ?

(iii) 'প্ৰশস্তি' কবিতাটোত উল্লেখ কৰা 'কুম্কুম' শব্দটোৱে কি বুজাইছে লিখাঁ ।

**20.** উত্তৰ লিখাঁ — *4×1=4*

(i) অসমীয়া গীতি-সাহিত্যৰ ইতিহাসত কোনবোৰ গীতক নজহা-নপমা অমূল্য সম্পদ বুলি কৈছে ?

(ii) 'প্ৰশস্তি' শব্দৰ অৰ্থ কি ?

(iii) শ্ৰী শ্ৰী মাধৱদেৱৰ ভণিতা থকা বৰগীত কিমান পোৱা গৈছে ?

(iv) 'সাদৰী' কবিতা পুথিখনৰ কবি কোন ?